**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-03-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১। ৰাজ্যত আজি প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি। বিভিন্ন জিলা প্ৰশাসনৰ উদ্যোগত প্ৰিজাইডিং বিষয়া আৰু পোলিং বিষয়াৰ প্ৰশিক্ষণ আৰম্ভ।

২। চৰকাৰৰ জনহিতকৰ কাম-কাজৰ বিষয়ে ৰাইজক অৱগত কৰি এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলৰ বিজয় সুনিশ্চিত কৰিব বুলি অগপৰ সভাপতি অতুল বৰাৰ প্ৰকাশ।

৩। ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহত আসন সংৰক্ষণৰ বিষয়টো লৈ শপতনামা দাখিল কৰিবলৈ শিক্ষা বিভাগক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ।

*আৰু*

৪। নাগালেণ্ডত অনুষ্ঠিত তৃতীয় নৰ্থ ইষ্ট গেমছৰ প্ৰথম দিনৰ খেলৰ অন্তত অসমৰ ১৯টা পদক অৰ্জন।

ooooo

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হ'ব। এই পৰ্যায়ত ১৭ খন ৰাজ্য আৰু ৪ খন কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১০২খন লোকসভা আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। তামিলনাডুৰ ৩৯ খন, ৰাজস্থানৰ ১২ খন, উত্তৰ প্ৰদেশৰ ৮ খন, মধ্য প্ৰদেশৰ ছখন, উত্তৰাখণ্ড, অসম আৰু মহাৰাষ্ট্ৰৰ ৫খনকৈ, মণিপুৰ, মেঘালয় আৰু অৰুণাচল প্ৰদেশত দুখনকৈ, ছট্টিশগড়, মিজোৰাম, নগালেণ্ড, ছিকিম, ত্ৰিপুৰা, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, জম্মু আৰু কাশ্মীৰ, লাক্ষাদ্বীপ আৰু পুডুচেৰীত এখনকৈ আসনৰ বাবে প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। চলিত মাহৰ ২৭ তাৰিখলৈকে মনোনয়ন পত্ৰসমূহ দাখিল কৰিব পৰা যাব। অহা ১৯ এপ্ৰিলত প্ৰথম পৰ্যায়ৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। দেশত সৰ্বমুঠ ৭ টা পৰ্যায়ত লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। ৪ জুনত ভোটগণনা কৰা হ'ব।

অসমৰ নৱগঠিত কাজিৰঙা সমষ্টিৰ উপৰি শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিত প্ৰথম পৰ্যায়ত নিৰ্বাচন হ'ব। দ্বিতীয় পৰ্যায়ত দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁৱত তথা তৃতীয় পৰ্যায়ত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে। ৰাজ্যখনত সংশোধিত চূড়ান্ত ভোটদাতা তালিকা অনুসৰি ২ কোটি ৪৩ লাখতকৈ অধিক ভোটদাতা আছে। ইয়াৰে ১ কোটি ২১ লাখ ৭৯ হাজাৰতকৈ অধিক পুৰুষ আৰু ১ কোটি ২১ লাখতকৈ অধিক মহিলা ভোটদাতা। তদুপৰি ৪১৪ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। একেদৰে ৰাজ্যখনত ৪ লাখ ৩৫ হাজাৰতকৈ অধিক নতুন ভোটদাতা আৰু ২ লাখ ৭২ হাজাৰতকৈ অধিক অশীতিপৰ ভোটদাতা থকা বুলি নিৰ্বাচন আয়োগৰ সূত্ৰত প্ৰকাশ পাইছে।

নিৰ্বাচন আয়োগ দেশৰ এই সৰ্ববৃহৎ সাধাৰণ নিৰ্বাচন সুচাৰুৰূপে তথা নিৰাপদভাৱে অনুষ্ঠিত কৰাৰ বাবে বদ্ধপৰিকৰ। আয়োগে নিৰ্বাচনৰ সময়ছোৱাত দেখা দিব পৰা বিভিন্নধৰণৰ প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ বাবে যথাযথ পৰিকল্পনা গ্ৰহণ কৰিছে। ধনবল, বাহুবলৰ লগতে ভুৱা তথ্য প্ৰচাৰ আৰু হিংসা তথা নিৰ্বাচনী আচৰণ বিধি উলংঘা কৰাৰ দৰে ঘটনা এনে সময়ত ঘটিব পাৰে বুলি নিৰ্বাচন আয়োগে আশংকা প্ৰকাশ কৰিছে। স্পৰ্শকাতৰ অঞ্চলসমূহত হ'ব পৰা যিকোনো পৰিস্থিতিৰ মোকাবিলা কৰিবৰ বাবে পৰ্যাপ্ত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ ব্যৱস্থা কৰা হৈছে। জিলাসমূহত সমন্বিত নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে। স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহত ৱেবকাষ্টিঙৰ ব্যৱস্থাও কৰা হৈছে।

00000

কেন্দ্ৰীয় লোকসেৱা আয়োগে চলিত বৰ্ষৰ অসামৰিক সেৱাৰ প্ৰাৰম্ভিক পৰীক্ষাৰ সময়সূচী পিছুৱাই দিয়া হৈছে। এই নতুন সময়সূচীৰ অনুসৰি অহা ১৬ জুনত এই প্ৰাৰম্ভিক পৰীক্ষা অনুষ্ঠিত হ'ব। পূৰ্বৰ সময়সূচী অনুসৰি ২৬ মে'ত অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আয়োগে পৰীক্ষা দিন পিছুৱাই দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

00000

নিৰ্বাচন আয়োগে সংবাদ কৰ্মীসকলক পোষ্টেল বেলটযোগে ভোটদান কৰাৰ অনুমতি প্ৰদান কৰিছে। আয়োগে কালি এখন অধিসূচনাযোগে এই অনুমতি প্ৰদান কৰে। পূৰ্বতে অত্যাৱশ্যকীয় সেৱাৰ সৈতে জড়িত লোকসকলে পোষ্টেল বেলটযোগে ভোটদান কৰিব পাৰিছিল। এতিয়াৰে পৰা সংবাদ কৰ্মীসকলেও এই সুবিধা লাভ কৰিব। আয়োগে ইয়াৰ বাবে এগৰাকী নডেল বিষয়াক দায়িত্ব প্ৰদানৰ ব্যৱস্থা কৰিছে।

00000

নিৰ্বাচন আয়োগে দেশৰ লোকসভা নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পিছতে নিৰ্বাচন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ ৰাজ্যৰ জিলা প্ৰশাসনসমূহে যাৱতীয় প্ৰস্তুতি গ্ৰহণ কৰিছে। অহা ১৯ এপ্ৰিলত অনুষ্ঠিত হ'ব লগা ৰাজ্যৰ প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনক লৈ ধেমাজি জিলা প্ৰশাসন তথা নিৰ্বাচনী বিভাগেও তৎপৰতাৰে বিভিন্ন কাৰ্যপন্থা গ্ৰহণ কৰিছে। তাৰেই অংশস্বৰূপে কালি জিলা নিৰ্বাচনী বিভাগৰ উদ্যোগত ধেমাজি মহাবিদ্যালয়ত ধেমাজি আৰু চিচিবৰগাঁও বিধানসভা সমষ্টিৰ মুঠ ৩৯৩টা ভোটগ্ৰহণ কেন্দ্ৰৰ পোলিং আৰু প্ৰিজাইডিং বিষয়াসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়।

ইপিনে, কামৰূপ মহানগৰ জিলাতো কালি লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। মহানগৰীৰ তিনিটা স্থানত হোৱা প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণত সৰ্বমুঠ দুহেজাৰ ৭৩০ গৰাকী প্ৰিজাইডিং বিষয়া আৰু প্ৰথম পোলিং বিষয়াই অংশগ্ৰহণ কৰে।

শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগতো জিলাখনৰ শিৱসাগৰ বিশ্ববিদ্যালয়, শিৱসাগৰ ছোৱালী মহাবিদ্যালয় আৰু শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়তো নিৰ্বাচনী প্ৰশিক্ষণ অনুষ্ঠিত হয়। যোৱা ১৭ মাৰ্চৰ পৰা প্ৰিজাইডিং আৰু প্ৰথম পোলিং বিষয়াৰ প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ অনুষ্ঠিত হোৱাৰ পাছত কালিৰে পৰা দ্বিতীয় পৰ্যায়ৰ দ্বিতীয় পোলিং বিষয়া আৰু তৃতীয় পোলিং বিষয়াৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। ৪০ গৰাকীকৈ প্ৰশিক্ষকে প্ৰদান কৰা এই প্ৰশিক্ষণত দুহেজাৰ ৪০০ গৰাকী পোলিং আৰু প্ৰিজাইডিং বিষয়াই প্ৰশিক্ষণ গ্ৰহণ কৰে।

ইপিনে, লোকসভা নিৰ্বাচনৰ মুক্ত আৰু ন্যায্য পৰিচালনা সুনিশ্চিত কৰাৰ বাবে কৰিমগঞ্জ জিলা আয়ুক্তৰ কাৰ্যালয়ত এটা নিয়ন্ত্ৰণ কক্ষ মুকলি কৰা হয়। নিৰ্বাচনৰ সৈতে জড়িত যিকোনো তথ্যৰ বাবে নিয়ন্ত্ৰণ কক্ষৰ ১৯৫০ টোল ফ্ৰী নম্বৰ আৰু ০৩৮৪৩-২৬৫১৪৪ টেলিফোন নম্বৰত যোগাযোগ কৰিব পৰা যাব। তদুপৰি জিলাখনৰ যিকোনো ঠাইত যদি কোনো ব্যক্তি নিৰ্বাচনী আচৰণ বিধি উলংঘা হোৱা যেন দেখা পাই, তেন্তে এই দুটা নম্বৰত যোগাযোগ কৰি অভিযোগ দাখিল কৰিব পাৰিব।

০০০০০

উচ্চতম ন্যায়ালয়ে নাগৰিকত্ব সংশোধনী আইনৰ ৰূপায়ণত স্থগিতাদেশ জাৰি কৰিবলৈ অস্বীকাৰ কৰিছে। কালি সৰ্বোচ্চ ন্যায়ালয়ে এই সন্দৰ্ভত শুনানি গ্ৰহণ কৰি অহা ৮ এপ্ৰিলৰ ভিতৰত চৰকাৰক শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। অহা ৯ এপ্ৰিলত এই সন্দৰ্ভত পৰৱৰ্তী শুনানি অনুষ্ঠিত হ'ব।

আনহাতে, ২ এপ্ৰিলৰ ভিতৰত আবেদনকাৰীসকলক ৫ পৃষ্ঠাৰ লিখিত প্ৰতিবেদন দাখিল কৰাৰ নিৰ্দেশ দিয়া হৈছে। এই আইনৰ ক্ষেত্ৰত অসম আৰু ত্ৰিপুৰাৰ সৈতে জড়িত গোচৰৰ বাবে সুকীয়াকৈ শুনানি গ্ৰহণ কৰা হ'ব বুলিও আদালতে প্ৰকাশ কৰিছে।

উল্লেখযোগ্য যে, এই আইনৰ ৰূপায়ণত স্থগিতাদেশ বিচাৰি অসম সন্মিলিত মহাসংঘৰ লগতে বহুকেইটা জনগোষ্ঠীয় সংগঠন, সদৌ অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, উত্তৰ পূব ছাত্ৰ সংস্থা আৰু বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়াকে ধৰি বিভিন্ন পক্ষই উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছিল।

০০০০০

নিৰ্বাচনী প্ৰচাৰ অভিযানৰ অংশ হিচাপে কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে আজি সমষ্টিটোৰ বিভিন্ন প্ৰান্তৰ কেইবাখনো সভাত উপস্থিত থাকি দলৰ কাৰ্যকৰ্তাসকলৰ সৈতে মত-বিনিময় কৰিব। শ্ৰীসোণোৱালে নৱগঠিত মাকুম বিধানসভা সমষ্টিৰ বিজেপি আৰু অগপ কাৰ্যকৰ্তাসকলৰ সৈতে মত-বিনিময় কৰাৰ লগতে তিনিচুকীয়া জিলা বিজেপিৰ বিভিন্ন মৰ্চাৰ সৈতে বৈঠকত মিলিত হ'ব। আনহাতে, বিয়লিৰ ভাগত তেওঁ বিজেপিৰ তিনিচুকীয়া জিলা কাৰ্যালয়ত ডিব্ৰুগড় লোকসভা ব্যৱস্থাপনা সমিতিৰ বিষয়া তথা সদস্যসকলৰ সৈতেও বৈঠকত ভাগ ল'ব।

০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি অগপৰ আমবাৰীস্থিত মুখ্য কাৰ্যালয়ত কালি অগপ আৰু বিজেপিৰ মুখপাত্ৰসকলৰ এখন যৌথ সভা অনুষ্ঠিত হয়। সংবাদমাধ্যমৰ জৰিয়তে জনসাধাৰণৰ সৈতে সংযোগ স্থাপন অধিক বৃদ্ধি কৰি চৰকাৰৰ বিভিন্ন কাম-কাজ ৰাইজক অৱগত কৰোৱা আৰু এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলৰ বিজয় নিশ্চিত কৰোৱাত দলীয় মুখপাত্ৰসকলে ল'বলগীয়া কেতবোৰ গুৰুত্বপূৰ্ণ ভূমিকা সম্পৰ্কে সভাত বিতংভাৱে আলোচনা কৰা হয়। নিৰ্বাচনী প্ৰচাৰত কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ বিভিন্ন অভিলাষী পদক্ষেপ আৰু আঁচনিসমূহে জনসাধাৰণক দিয়া সকাহৰ বিষয়ে সবিস্তাৰে আলোকপাত কৰাৰ লগতে অন্যান্য জনহিতকৰ বিষয়সমূহো ৰাইজৰ মাজলৈ লৈ যাবলৈ সভাত উপস্থিত দুয়োটা দলৰে মুখপাত্ৰসকলে সিদ্ধান্ত গ্ৰহণ কৰে। সভাত অগপৰ সভাপতি অতুল বৰাৰ উপৰি বিজেপি অসম প্ৰদেশৰ মুখ্য মুখপাত্ৰ মনোজ বৰুৱা, অগপৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক তথা মুখপাত্ৰ মনোজ শইকীয়া আৰু দুয়োটা মিত্ৰদলৰ বিভিন্ন দায়িত্বত থকা অন্যান্য সদস্যসকল উপস্থিত থাকে।

ইপিনে, অগপৰ কাৰ্যবাহী সভাপতি কেশৱ মহন্তৰ সভাপতিত্বত কলিয়াবৰৰ হাটবৰতো কালি এখন যৌথ নিৰ্বাচনী সভা অনুষ্ঠিত হয়। সভাত কাজিৰঙা সংসদীয় সমষ্টিৰ এন ডি এৰ মনোনীত প্ৰাৰ্থী তথা ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাক জয়যুক্ত কৰিবলৈ ৰণকৌশল প্ৰস্তুত কৰা হয়। সভাখনত কেবিনেট মন্ত্ৰী পীযুষ হাজৰিকা, বঢ়মপুৰৰ বিধায়ক জিতু গোস্বামী আৰু দুয়োটা দলৰে বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে আৰ্থিকভাৱে পিছপৰা পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহত ২৫ শতাংশ আসনৰ সংৰক্ষণৰ বিষয়টোক লৈ অহা ১ এপ্ৰিলৰ ভিতৰত শপতনামা দাখিল কৰিবলৈ ৰাজ্যৰ শিক্ষা বিভাগক নিৰ্দেশ দিছে। সংশ্লিষ্ট শিক্ষানুষ্ঠানসমূহৰ আশে-পাশে বসবাস কৰা এনে পৰিয়ালসমূহৰ সন্তানসকলৰ শিক্ষাৰ সৈতে জড়িত বিষয়ক লৈ চলি থকা এটা ৰাজহুৱা স্বাৰ্থ জড়িত গোচৰ সন্দৰ্ভত ন্যায়ালয়ে অহা ২ এপ্ৰিলত শুনানি গ্ৰহণ কৰিব।

আদালতে বিষয়টোক লৈ পূৰ্বে জাৰি কৰা এটা নিৰ্দেশৰ কাৰ্যকৰীকৰণ সন্দৰ্ভত জিলাৰ ভিত্তিত সুকীয়াকৈ শপতনামা দাখিল কৰিবলৈ প্ৰাথমিক শিক্ষা সঞ্চালক আৰু মাধ্যমিক শিক্ষা সঞ্চালকক নিৰ্দেশ দিছে। একেদৰে সমাজৰ দৰিদ্ৰ শ্ৰেণীৰ পৰিয়ালৰ সন্তানসকলৰ নামভৰ্তিৰ বিষয়টোক লৈ ব্যক্তিগত খণ্ডৰ সকলো বিদ্যালয়ে অনলাইন প'ৰ্টেল আৰু ৱেবছাইট মুকলি কৰিছে নে নাই সেই বিষয়ে আদালতক অৱগত কৰাবলৈকো নিৰ্দেশটোত কোৱা হৈছে। উল্লেখযোগ্য বিমামূলীয়া আৰু বাধ্যতামূলক শিক্ষা অধিকাৰ আইনৰ ১২ নম্বৰ অনুচ্ছেদ অনুসৰি ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহে তেওঁলোকৰ মুঠ আসনৰ ২৫ শতাংশ দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে সংৰক্ষণ কৰাটো বাধ্যতামূলক।

০০০০০

গুৱাহাটী মহানগৰ বিশ্বৰ অন্যতম প্ৰদূষিত মহানগৰ হিচাপে চিহ্নিত হৈছে। ছুইজাৰলেণ্ডৰ বায়ুৰ মান নিৰীক্ষণকাৰী সংস্থা **আই কিউ এয়াৰৰ** প্ৰতিবেদনত এই উদ্বেগজনক তথ্য প্ৰকাশ পাইছে। প্ৰতিবেদনত উল্লেখ থকা অনুসৰি গুৱাহাটী বিশ্বৰ ভিতৰতে অধিক পৰিমাণে বায়ু প্ৰদূষণৰ কবলত পৰা দ্বিতীয়খন মহানগৰ। এই তালিকাত বিহাৰৰ বেগুচৰাই প্ৰথম স্থানত আৰু দিল্লী তৃতীয় স্থানত আছে। পঞ্জাৱৰ মুল্লানপুৰ নামৰ মহানগৰখন তালিকাৰ চতুৰ্থ স্থানত আছে। উল্লেখযোগ্য যে প্ৰদূষিত শীৰ্ষ ৫০খন চহৰৰ ৪২ খনেই হৈছে ভাৰতৰ। ইফালে বাংলাদেশ সবাতোকৈ প্ৰদূষিত দেশ হিচাপে চিহ্নিত হৈছে। পাকিস্তান দ্বিতীয়খন দেশ হিচাপে চিহ্নিত হোৱাৰ বিপৰীতে ভাৰত তৃতীয় সৰ্বাধিক প্ৰদূষিত দেশৰ স্থানত আছে। উল্লেখযোগ্য যে ২০২২ চনতো ভাৰত পৃথিৱীৰ অতি প্ৰদূষিত দেশসমূহৰ তালিকাৰ অষ্টম স্থানত আছিল।

০০০০০

দেশ-বিদেশৰ লেখক-সাহিত্যিকৰ সমাৱেশত উজনি অসমৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। বিশ্ববিদ্যালয়খনত কালিৰে পৰা তিনিদিনীয়াকৈ আন্তঃৰাষ্ট্ৰীয় সাহিত্য মহোৎসৱ অনুষ্ঠিত হৈছে। এই মহোৎসৱত ১৪ খন দেশৰ ৮৫ জন লেখক তথা সাহিত্যিকে অংশগ্ৰহণ কৰিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উদ্যোগত আৰু গুৱাহাটীত থকা সাহিত্য সংস্কৃতিৰ অনুষ্ঠান ফ'কেলৰ সহযোগত আয়োজিত মহেৎসৱখনৰ উদ্বোধনী অনুষ্ঠানত কালি জ্ঞানপীঠ বঁটা বিজয়ী লেখক গোৱাৰ দামোদৰ মাউজোৱে মুখ্য

অতিথি হিচাপে অংশ লয়। আনহাতে, আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱা সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে।

০০০০০

নগাঁৱত কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে অসম বাৰ্তাজীৱী সংঘৰ সোণালী জয়ন্তীৰ উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি কাইলৈ প্ৰতিনিধি পঞ্জীয়ন, প্ৰতিনিধি শিৱিৰ মুকলি আৰু পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হ'ব। পুৰণিগুদাম ড০ বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ উপাধ্যক্ষ কমল চন্দ্ৰ শইকীয়াই কাৰ্যনিৰ্বাহক সভাখন উদ্বোধন কৰিব। আনহাতে, অহা ২২ মাৰ্চত বাৰ্তাজীৱী সংঘৰ মুকলি অধিৱেশনত কেবিনেট মন্ত্ৰী কেশৱ মহন্ত, পীযুষ  হাজৰিকা, বিধায়ক ৰূপক শৰ্মা আৰু শশীকান্ত দাসকে ধৰি বিভিন্নজনে অংশগ্ৰহণ কৰিব।

০০০০০

নাগালেণ্ডত চলি থকা তৃতীয় উত্তৰ পূব ক্ৰীড়াৰ আজি দ্বিতীয় দিনা অসমে ১২ বিধ খেলত অংশ ল'ব। কোহিমাত অনুষ্ঠিত হোৱা  এথলেটিকছৰ প্ৰতিযোগিতাত প্ৰথম দিনাই অসমে ৪টা সোণসহ ৭টা পদক লাভ কৰাৰ পাছত আজি অসমৰ পুৰুষ আৰু মহিলা খেলুৱৈয়ে হাইজাম্প, লংজাম্প আদিকে ধৰি কেইবাবিধো খেলত পদক জয়ৰ লক্ষ্যৰে অৱতীৰ্ণ হ'ব। ইফালে পেনছাক ছিলাটত অসমে প্ৰথম দিনা ৯টা পদক অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। আজি অসমৰ খেলুৱৈয়ে এই ক্ৰীড়াত ৭টা স্বৰ্ণ পদকৰ খেলত অৱতীৰ্ণ হ'ব। একেদৰে কালি আৰ্চাৰীৰ একক শাখাত সফলতা লাভ কৰা অসমে আজি দলীয় শাখাত প্ৰতিদ্বন্দ্বিতা কৰিব। টেবুল টেনিছ, বেডমিণ্টন আৰু টেনিছত জয়েৰে অভিযান আৰম্ভ কৰা অসমৰ পুৰুষ আৰু মহিলা দলে আজি  দ্বিতীয় গ্ৰুপ মেচত জয়লাভ কৰিলেই পদক জয় কৰাটো নিশ্চিত হ'ব। ইপিনে, ফুটবলৰ প্ৰথমখন খেলত ৰাক অ'ভাৰ পোৱা অসমে আজি পুৱা মিজোৰামৰ মুখামুখি হ'ব। উল্লেখযোগ্য যে, প্ৰতিযোগিতাৰ প্ৰথম দিনা অসমে ৪টা সোণ, ১০টা ৰূপ আৰু ৫টা ব্ৰঞ্জসহ ১৯টা পদক লাভ কৰি প্ৰত্যাশিত আৰম্ভণি কৰিছে। অসম পদক তালিকাৰ তৃতীয় স্থানত থকাৰ বিপৰীতে নাগালেণ্ড ৮টা সোণসহ ১৭টা পদক লাভ কৰি শীৰ্ষত তথা মণিপুৰে ৬টা সোণসহ ১৬টা পদক লাভ কৰি দ্বিতীয় স্থানত আছে।

০০০০০

ছুইজাৰলেণ্ডৰ বায়ুৰ মান নিৰীক্ষণ সংস্থা আই কিউ এয়াৰৰ প্ৰতিবেদনত গুৱাহাটী মহানগৰী বিশ্বৰ দ্বিতীয় সৰ্বাধিক প্ৰদূষিত মহানগৰ হিচাপে চিহ্নিত হোৱাৰ বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়কেইখন প্ৰধান বাতৰি কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। দৈনিক অসম কাকতৰ বাতৰিটোৰ শিৰোনাম **বৰযুণৰ অভাৱ, ব্ৰহ্মপুত্ৰৰ বালিয়ে মাতিছে বিপদ। প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ মতে শংকাৰ কাৰণ নাই ঃ বায়ু প্ৰদূষণত বিশ্বৰ দুই নম্বৰত গুৱাহাটী**। একেটা বাতৰিকে অসমীয়া প্ৰতিদিন কাকতে **ৱৰ্ল্ড এয়াৰ কোৱালিটী ৰিপোৰ্ট ২০২৩ৰ প্ৰতিবেদনত উদ্বেগজনক তথ্য ঃ বিশ্বৰ দ্বিতীয় সৰ্বাধিক প্ৰদূষিত মহানগৰ গুৱাহাটী** শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। আমাৰ অসম আৰু অসমীয়া খবৰ কাকতে এই বাতৰিটোৰ সমান্তৰালকৈ নাগৰিকত্ব সংশোধনী আইনৰ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ত চলি থকা গোচৰটোৰ শুনানিৰ সন্দৰ্ভত প্ৰস্তুত কৰা এটা বিতং বাতৰি প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। নিয়মীয়া

বাৰ্তা কাকতে এই বাতৰিটো **দুসপ্তাহৰ ভিতৰত কেন্দ্ৰক শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ উচ্চতম ন্যায়ালয়ৰ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটোৰ সন্দৰ্ভত দি আসাম ট্ৰিবিউন কাকতৰ শিৰোনাম **Apex Court Asks Centre To Respond To Pleas Against CAA By April 9**। এটা আছুতীয়া সাক্ষাৎকাৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পৰৱৰ্তী বিধানসভা নিৰ্বাচনত যোৰহাটৰ পৰা নিৰ্বাচন খেলাৰ কথা উল্লেখ কৰিছে। এই বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত **যোৰহাট সমষ্টিত বিধানসভা নিৰ্বাচন খেলিব হিমন্ত বিশ্ব শৰ্মাই** শিৰোনামেৰে বক্সত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। শিক্ষাৰ অধিকাৰ আইন অনুসৰি ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহে মুঠ আসনৰ ২৫ শতাংশ আসনত দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ শিক্ষাদান কৰাটো বাধ্যতামূলক। এই সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ে চৰকাৰক শপতনামা দাখিলৰ বাবে দিয়া নিৰ্দেশৰ ভিত্তিত প্ৰস্তুত কৰা এটা বাতৰি দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। সমাগত লোকসভা নিৰ্বাচনত ৰাজনৈতিক দলসমূহে প্ৰচাৰৰ বাবে হেলিকপ্টাৰ, অত্যাধুনিক বাহন সাজু কৰিছে। এই সন্দৰ্ভত দৈনিক অগ্ৰদূত কাকতে বিতংভাৱে প্ৰস্তুত কৰা এটা বাতৰি **নেতাক উৰুৱাই ফুৰিবলৈ সাজু ৬খন হেলিকপ্টাৰ, ঘণ্টাত ব্যয় লাখ লাখ টকা** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – ভয়ংকৰ দুৰ্ঘটনাত প্ৰাণ হেৰুৱালে বিশিষ্ট চিত্ৰশিল্পী সমীৰণ পাঠকে, শোকস্তব্ধ টিহু, যোৰহাটত দুই গগৈৰ যুঁজত কোন আগত, ব্যাপক উৎকণ্ঠা, পুনৰ লুৰীণৰ কাষত থিয় হ'ল পৱন সিং ঘাটোৱাৰ, উদয় লখিমপুৰত অস্ত গ'ল ৰাণী, পতঞ্জলীৰ আদালত অৱমাননা ঃ ৰামদেৱক চমন ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

ooooo

সমাপ্ত